**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
**-----------------------------**

১। অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰিৰ গোচৰত আজি বিশেষ ন্যায়াধীশৰ আদালতে আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ কুমাৰ পালসহ ৩১ জনৰ বিৰুদ্ধে শাস্তিৰ ৰায় ঘোষণা কৰে।

২। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি টকিঅ'ত কোৱাড বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰে।

৩। উচ্চতম ন্যায়ালয়ে ৭৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজিৰে পৰা বিশেষ লোক আদালত সপ্তাহৰ আয়োজন কৰিছে। **আৰু**

৪। শ্ৰীলংকাৰ পাল্লেকলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত কালি ভাৰতে শ্ৰীলংকাক ৭ উইকেটত পৰাস্ত কৰে।

০০০০০০০

অসম লোকসেৱা আয়োগৰ কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰিৰ গোচৰত আজি বিশেষ ন্যায়াধীশৰ আদালতে আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ কুমাৰ পালসহ ৩১ জনৰ বিৰুদ্ধে শাস্তিৰ ৰায় ঘোষণা কৰে। সেই অনুসৰি আদালতে ৰাকেশ কুমাৰ পালক দুৰ্নীতি প্ৰতিৰোধ আইন আৰু ভাৰতীয় দণ্ডবিধি আইনৰ ৪টাকৈ গুৰুত্বপূৰ্ণ ধাৰাত দোষী সাব্যস্ত কৰি ১৪ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ২ লাখ টকাৰ জৰিমনা বিহিছে। একেদৰে আয়োগৰ প্ৰাক্তন সদস্য চামেদুৰ ৰহমান আৰু বসন্ত কুমাৰ দলেক ১০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ২ লাখ টকাকৈ জৰিমনা বিহিছে। আনহাতে বক্ৰপথেৰে চাকৰি লোৱাৰ অভিযোগত দোষী সাব্যস্ত হোৱা ২৯ জন কৃষি উন্নয়ন বিষয়াক ৪ বছৰকৈ কাৰাদণ্ড আৰু ১০ হাজাৰ টকাকৈ জৰিমনা বিহিছে। উল্লেখযোগ্য যে কৃষি উন্নয়ন বিষয়া নিযুক্তি কেলেংকাৰিৰ গোচৰত বিশেষ ন্যায়াধীশৰ আদালতে যোৱা ২২ জুলাইত ৰাকেশ কুমাৰ পালসহ ৩১ জনক দোষী সাব্যস্ত কৰিছিল।

০০০০০০০

বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে আজি টকিঅ'ত কোৱাড বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণ কৰে। ড০ জয়শংকৰৰ দুদিনীয়া জাপান ভ্ৰমণসূচীৰে কালি টকিঅ'ত উপস্থিত হৈছেগৈ। কোৱাড বিদেশ মন্ত্ৰীসকলৰ বৈঠক অষ্ট্ৰেলিয়া, ভাৰত, জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ শীৰ্ষ কূটনীতিবিদসকলক একত্ৰিত কৰাৰ এখন মঞ্চ। বৈঠকত অংশগ্ৰহণ কৰি ড০ জয়শংকৰে কৈছে যে, বৰ্তমানৰ সময় হৈছে প্ৰত্যাহ্বানপূৰ্ণ সময় আৰু এই প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰিবলৈ স্থিৰ, নিৰাপত্তা, প্ৰগতি আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ প্ৰয়োজন আছে।

কোৱাড বিদেশ মন্ত্ৰীসকলৰ বৈঠকৰ পাছত টকিঅ'ত সংবাদ মাধ্যমৰ আগত ড০ জয়শংকৰে সন্তুষ্টি প্ৰকাশ কৰি কয় যে, আজিৰ বৈঠকখনে বিভিন্ন ক্ষেত্ৰত দিক নিৰ্ণায়ক ভূমিকা ল'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কৈছে যে, সদস্য ৰাষ্ট্ৰসমূহৰ নেতাসকলে ব্যক্তিগতভাৱে কোৱাডৰ বৃদ্ধিৰ বাবে নেতৃত্ব দিছে। যোৱা কেই বছৰমানৰ পৰা বিস্তৃতভাৱে নতুন কৰ্ম আঁচনি হাতত লোৱা হৈছে বুলি উল্লেখ কৰি ড০ জয়শংকৰে কৈছে যে, টেলিকম প্ৰযুক্তি আৰু সাগৰৰ তলেৰে **কেবল** সংযোগৰ পৰা আৰম্ভ কৰি মানৱীয় আৰু দুৰ্যোগ সাহায্য, জটিল তথা উন্নত প্ৰযুক্তি, ছাইবাৰ তথা স্বাস্থ্য সুৰক্ষা, জলবায়ু, শিক্ষা, সামুদ্ৰিক ড'মেইন সজাগতা, সন্ত্ৰাসবাদ বিৰোধী কাৰ্যকলাপ, বিভিন্ন আন্তঃগাঁথনি আদি বিষয়ত বিভিন্ন কাম হাতত লোৱা হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কৈছে যে, কোৱাডত থকা ১৬টা কৰ্মগোটে নতুনকৈ কৰিবলগীয়া কেইবাটাও কামৰ ওপৰত সহমতত উপনীত হৈছে। তেওঁ কয় যে, সদস্য ৰাষ্ট্ৰসমূহে কোৱাডক কেনেকৈ আগুৱাই নিব পাৰি আৰু কিদৰে অধিক সম্পদ দি ৰাষ্ট্ৰসমূহৰ মাজত নতুনকৈ সমন্বয় কৰিব পাৰি তাৰবাবে বিভিন্ন কৰ্মপন্থা হাতত ল'বলৈ বাট চাই আছে। এইক্ষেত্ৰত আজি কোৱাডে কিছু গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি ড০ জয়শংকৰে কৈছে যে, ভাৰত-প্ৰশান্ত মহাসাগৰীয় সামুদ্ৰিক ড'মেইন সজাগতাৰ পদক্ষেপে তথ্য সংযোজন কেন্দ্ৰসমূহক সংযোগ কৰিছে। মৰিছাছত অতি সোনকালে মহাকাশভিত্তিক জলবায়ু, সতৰ্কবাণী ব্যৱস্থা আৰম্ভ কৰা হ'ব বুলিও ড০ জয়শংকৰে প্ৰকাশ কৰিছে। কেৱল কোৱাডৰ সহযোগিতাইহে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলক মুক্ত, সুস্থিৰ, সুৰক্ষিত আৰু সমৃদ্ধিশালী কৰি ৰাখিবলৈ নিশ্চিতি প্ৰদান কৰিব পাৰে বুলি বৈদেশিক মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে, সদস্য ৰাষ্ট্ৰসমূহে বিশ্বব্যাপী উন্নয়নমূলক কাম কৰাৰ প্ৰতিশ্ৰুতিৰ এই অঞ্চলত প্ৰভাৰ দেখা গৈছে। সেয়েহে ৰাজনৈতিক বুজাবুজি শক্তিশালী হোৱা, অৰ্থনৈতিক অংশীদাৰিত্ব বৃদ্ধি পোৱা, প্ৰযুক্তিৰ ক্ষেত্ৰত সহযোগিতাৰ সম্প্ৰসাৰণ ঘটা অতি প্ৰয়োজনীয় বুলি ড০ জয়শংকৰে প্ৰকাশ কৰে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে ইয়াৰ ৭৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি আজিৰে পৰা বিশেষ লোক আদালত সপ্তাহৰ আয়োজন কৰিছে। আকাশবাণীৰ সৈতে হোৱা বতৰাত ন্যায়াধীশ কে ভি বিশ্বনাথনে কয় যে, উচ্চতম ন্যায়ালয়ৰ বিচাৰাধীন হৈ থকা গোচৰসমূহ মীমাংসা কৰাৰ বাবে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ আৱেদনকাৰীসকলক লোক আদালতৰ সুবিধা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উচ্চতম ন্যায়ালয়ৰ এই ব্যৱস্থাক তেওঁ বিবাদসমূহ স্বেচ্ছামূলক আৰু সমিলমিলেৰে সমাধান কৰাৰ এখন মঞ্চ বুলি অভিহিত কৰে। ন্যায়াধীশ বিশ্বনাথনে লোকআদালতসমূহক ন্যায় লাভৰ বাবে দক্ষ আৰু ব্যয়সাধ্য মাধ্যম বুলিও অভিহিত কৰে।

০০০০০০০

আজি আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস। বাঘৰ প্ৰাকৃতিক বাসস্থান সুৰক্ষিত কৰাৰ বাবে এটা গোলকীয় প্ৰণালী গঢ়ি তোলা তথা বাঘ সংৰক্ষণৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি আৰু সমৰ্থন আগবঢ়োৱাৰ বিষয়টোৰ প্ৰচাৰৰ লক্ষ্যৰে প্ৰতি বছৰে আজিৰ দিনটো আন্তঃৰাষ্ট্ৰীয় ব্যাঘ্ৰ দিৱস হিচাপে পালন কৰা হয়। বিশ্ব বন্যপ্ৰাণী নিধিৰ তথ্য অনুসৰি ভাৰতত বৰ্তমান বাঘৰ মুঠ সংখ্যা স্থিৰ হৈ আছে অথবা বৃদ্ধি পাইছে। ভাৰতত বিশ্বৰ মুঠ বাঘৰ ৮০ শতাংশই পোৱা যায়। উল্লেখযোগ্য যে, **প্ৰজেক্ট টাইগাৰ**ৰ অংশ হিচাপে ১৯৭৩ চনত ভাৰতৰ ব্যাঘ্ৰ অভয়াৰণ্য স্থাপন কৰা হৈছিল।

০০০০০০০

শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই আজি কয় যে, দেশত চাকৰিৰ অভাৱ হোৱা নাই তথা বৰ্তমান চৰকাৰৰ নীতিগত হস্তক্ষেপৰ বাবে দেশত নিবনুৱাৰ হাৰ ৩ দশমিক ২ শতাংশলৈ হ্ৰাস পাইছে। লোকসভাত প্ৰশ্নোত্তৰ কালত মন্ত্ৰীগৰাকীয়ে অনাগত বছৰবোৰত নিবনুৱাৰ হাৰ ৩ শতাংশতকৈ কম হ'ব বুলি আশা প্ৰকাশ কৰে। এইবাৰৰ কেন্দ্ৰীয় বাজেটক প্ৰশংসা কৰি ড০ মন্দাভিয়াই কয় যে, প্ৰধানমন্ত্ৰীৰ অনুদানে ৫ বছৰৰ ভিতৰত ৪ কোটিৰো অধিক যুৱক-যুৱতীক কৰ্মসংস্থাপন আৰু দক্ষতা বিকাশৰ সুযোগ প্ৰদান কৰিব। এই লক্ষ্যত উপনীত হ'বলৈ ২ লাখ কোটি টকাৰ আৱণ্টন দিয়া হৈছে বুলি তেওঁ প্ৰকাশ কৰে। উল্লেখযোগ্য যে যোৱা দুটা বছৰত শ্ৰমশক্তি অংশগ্ৰহণৰ হাৰ ৪৪ শতাংশ আৰু শ্ৰমিক জনসংখ্যাৰ অনুপাত ৪০ শতাংশলৈ বৃদ্ধি পাইছে।

০০০০০০০

পেৰিছ অলিম্পিকৰ তৃতীয় দিনা আজি ভাৰতীয় শ্যুটাৰ ৰমিতা জিন্দাল ১০ মিটাৰ এয়াৰ ৰাইফল মহিলাৰ ফাইনেলৰ মেডেল ৰাউণ্ডত পদক জয়ত ব্যৰ্থ হৈছে। ৰমিতা জিন্দাল ফাইনেল ৰাউণ্ডত সপ্তম স্থানত থমিক ৰয়। একেদৰে ১০ মিটাৰ এয়াৰ ৰাইফল পুৰুষ শাখাৰ ফাইনেলত বিয়লি চাৰে ৩ বজাত অৰ্জুন বাবুটা অৱতীৰ্ণ হ'ব। আনহাতে, সৰবজোৎ সিঙৰ সৈতে মানু ভাকৰৰ যুটী আৰু অৰ্জুন সিং ছেমাৰ সৈতে ৰিডম চংৱানৰ যুটীয়ে ১০ মিটাৰ এয়াৰ পিষ্টল মিক্সড দলৰ কোৱালিফিকেচন ৰাউণ্ডত অৱতীৰ্ণ হ'ব। ইফালে আজি বিয়লি ৪ বাজি ১৫ মিনিটত পুৰুষ হকীত ভাৰতে পুল বিৰ এখন খেলত আৰ্জেণ্টিনাৰ বিৰুদ্ধে খেলিব। ভাৰতীয় হকী দলটোৱে অলিম্পিকৰ প্ৰথম দিনা নিউজিলেণ্ডৰ বিৰুদ্ধে জয়লাভ কৰিছিল।

০০০০০০০

শ্ৰীলংকাৰ পাল্লেকলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ভাৰত আৰু শ্ৰীলংকাৰ মাজত কালি অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ভাৰতে শ্ৰীলংকাক ৭ উইকেটত পৰাস্ত কৰি শৃংখলাটোত ২-০ৰ অপ্ৰতিৰুদ্ধ অগ্ৰগতি লাভ কৰিছে। ভাৰতে টছত জিকি শ্ৰীলংকাক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৬১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰবি বিষ্ণই ২৬ ৰানৰ বিনিময়ত ৩টা উইকেট দখল কৰাৰ বিপৰীতে অৰ্শদীপ সিং, অক্ষৰ পেটেল আৰু হাৰ্দিক পাণ্ডিয়াই দুটাকৈ উইকেট দখল কৰে। আনহাতে বৰষুণৰ বাবে ভাৰতৰ লক্ষ্য ৮ অভাৰত ৭৮ ৰানলৈ হ্ৰাস কৰা হয়। ভাৰতে য়শস্বী জয়ছোৱাল, সূৰ্য কুমাৰ যাদৱ আৰু হাৰ্দিক পাণ্ডিয়াৰ সুন্দৰ বেটিঙেৰে ৯টা বল বাকী থকা অৱস্থাতে ৮১ ৰান কৰিবলৈ সমৰ্থ হয়। ৰবি বিষ্ণইক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। দুয়োটা দলে কাইলৈ একেটা স্থানতে শৃংখলাটোৰ তৃতীয় তথা অন্তিমখন খেলত অৱতীৰ্ণ হ'ব। ইয়াৰ পাছতেই দুয়োটা দলেই কলম্বোত তিনিখন এদিনীয়া ক্ৰিকেটটো মুখামুখি হ'ব।

ইপিনে, ডাম্বুলাত অনুষ্ঠিত মহিলা এছিয়া কাপ ট্ৰফী ক্ৰিকেটত ছামাৰী আটাপট্টুৰ নেতৃত্বাধীন শ্ৰীলংকাৰ দলটো সাতবাৰৰ বিজয়ী ভাৰতক পৰাস্ত কৰি প্ৰথমবাৰৰ বাবে এছিয়া কাপ জয়ী কৰিবলৈ সমৰ্থ হয়।

০০০০০০০

সমাপ্ত